পাঠ:২

# জিকিৰ  - অজান ফকিৰ

---

১। চমু উত্তৰ দিয়া :

( ক ) জিকিৰৰ ৰচক কোন ?

উত্তৰ জিকিৰৰ ৰচক  হ'ল- আজান ফকিৰ ।

( খ ) জিকিৰবোৰক কিহৰ লগত তুলনা কৰিব পাৰি ?

উত্তৰ জিকিৰবোৰক হিন্দুৰ ভক্তিমূলক প্ৰাৰ্থনা বা স্তুতিগীতৰ লগত তুলনা কৰিব পাৰি ।

( গ ) “ জিকিৰ ’ শব্দটো কি শব্দৰ পৰা ওলাইছে ?

উত্তৰ :   'জিকিৰ ’ শব্দটো    আৰবী ‘ জিক ’ শব্দৰ পৰা ওলাইছে ।

২। তলৰ শব্দবোৰৰ অৰ্থ লিখা :

ৰছুল , মোমিন , ৰহম , কুটুব , বান্দা ।

উত্তৰ :   ৰছুল  —   দেৱদূত , ঈশ্বৰ প্ৰেৰিত পুৰুষ , আল্লাৰ দূত ।
মোমিন  —   বিশ্বাসী মুছলমান ।
ৰহম   —   দয়া ।
কুটুব   —   ধ্ৰুৱ , নক্ষত্ৰ ।
বান্দা   —   ভৃত্য ।

৩। মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি ।
যেনে শালে শ’লৰ লগত দৰিকাৰ টপালি ।।
— উল্লিখিত কবিতাফাকিৰ অন্তৰ্নিহিত ভাৱটি বিশ্লেষণ কৰা ।

উত্তৰঃ উদ্ধৃত কাব্যাংশ আজান ফকিৰৰ ৰচিত ‘ 'জিকিৰ' নামৰ কবিতাটোৰপৰা দাঙি ধৰা হৈছে । উক্ত কাব্যাংশৰ অন্তৰ্নিহিত ভাব হ'ল মনত বেয়া ভাব লৈ হেজাৰ বাৰ মক্কা । দৰ্শন কৰিলেও আল্লাৰ আশীৰ্বাদ লাভ কৰিব নোৱাৰি । মানুহৰ অন্তৰত দয়া , প্ৰেম । নাথাকিলে বা আমি যদি সকলো জীৱকে সমদৃষ্টিৰে চাব নাজানো আমি কেতিয়াও । আল্লাৰ প্ৰিয়পাত্ৰ হ’ব নোৱাৰোঁ । এই দুনিয়াত মানুহে কিন্তু পাপ - পুণ্যৰ সঠিক । বিচাৰ কৰিব নাজানে । বহুতে ভাবে মক্কা দৰ্শন কৰিলে পুণ্য অৰ্জন কৰি বেহেস্তত জীৱই স্থান পায় । কিন্তু সেয়া এক ভ্ৰান্ত ধাৰণা । যিদৰে শাল মাছ এবিধ উত্তম মাছ আৰু শাল হ'ল অভক্ষ বা অখাদ্য ঠিক একেদৰে গোটেই জীৱনটো পাপ কামত লিপ্ত থাকি শেষ সময়ত মক্কা দৰ্শন কৰি পুণ্য অৰ্জন কৰা ধাৰণাও অৱস্তৱ ।

৪। ব্যাখ্যা কৰা :

( ক ) পানী মৰে পিয়াহত , অগ্নি মৰে জাৰত ।
খোদা ৰছুল লুকাই আছে , মোমিনৰ আঁৰত ।।

উত্তৰ : উদ্ধৃত কাব্যাংশ আজান ফকিৰৰ ৰচিত ‘ জিকিৰ নামৰ কবিতাৰ অন্তৰ্গত ।

উক্ত কাব্যাংশই সংসাৰ যাত্ৰাত মানুহে যি নিজৰ অজ্ঞতাৰ বাবেই আল্লাক বিচাৰি হাবাথুৰি খাই মৰে অথচ মানৱৰ হৃদয়তে যে আল্লা বিৰাজমান তাকে  বুজাইছে । পানীয়ে মানুহৰ তৃষ্ণা নিবাৰণ কৰে , অথচ পানীয়ে নিজৰ সেই গুণৰ বিষয়ে নাজানে । সেইদৰে জুইৰ যে উত্তাপ শক্তি আছে সেই কথা জুয়ে নাজানে ঠিক একেদৰে আপোন হৃদয়তে অৱস্থিত ভগৱানক নিজৰ অজ্ঞানতাৰ বাবে মানুহে চিনি নাপায় । অৰ্থাৎ ভগৱানক বিচাৰি আমি দূৰলৈ যোৱাৰ প্ৰয়োজন নাই ।

( খ ) মক্কাৰ দুৱাৰত চাহাব তিৰবেণীৰ ঘাট ।
বেহাব নোৱাৰে তাত মায়াই ভেটে বাট ।

উত্তৰ:  উদ্ধৃত কাব্যাংশ আজান ফকিৰৰ ৰচিত ‘ জিকিৰ নামৰ কাব্যাংশৰ অন্তৰ্গত ।
কাব্যাংশত উল্লিখিত ‘ তিৰবেণী ঘাট ' কথাষাৰে মক্কা যে এখন পৱিত্ৰ তীৰ্থভূমি  তাকেই বুজাইছে । কিন্তু যাৰ অন্তৰত ধৰ্মভাৱ থাকে বা যিজনে আল্লাৰ দৰ্শন। পাব বিচাৰে তেওঁহে মক্কালৈ যাব বিচাৰে । আল্লা বা ভগৱানৰ সান্নিধ্য লাভ কৰিবলৈ মানুহে সংসাৰৰ মায়া - মোহ ত্যাগ কৰিব পাৰিব লাগিব । কিন্তু সংসাৰৰ মায়া - মমাহে আমাক এনেদৰে আচ্ছন্ন কৰি ৰাখে যে ভগৱানৰ সান্নিধ্য লাভতকৈ মানুহে পাৰ্থিৱ সুখ - ভোগতহে বেছিকৈ গুৰুত্ব দিয়ে । মানৱ জীৱন যে ক্ষণস্থায়ী  বা সংসাৰ যে দুদিনীয়া সেই কথা মানুহে কেৱল মায়াৰ বান্ধোনত বান্ধ খাই থাকে বাবেই উপলব্ধি নকৰে কিন্তু প্ৰকৃত শান্তি কেৱল ভগৱানৰ চিন্তা কৰিহে লাভ কৰিব পাৰি ।

(গ ) সঁজাৰ মইনাটিৰ অনেক যুগুতি ।
দেও মাৰি পাৰ হ'লে এৰিলে পিৰীতি ।

উত্তৰ: উদ্ধৃত কাব্যাংশ আজান ফকিৰৰ ৰচিত ‘ 'জিকিৰ' নামৰ কবিতাৰ অন্তৰ্গত ।
সংসাৰ মায়াৰে আবৰা । সংসাৰৰ মায়াই আমাক এনেদৰে আবৰি ৰাখে যে আল্লাৰ চিন্তাতকৈ পাৰ্থিৱ সুখ - ভোগতহে জীৱ ব্যস্ত হৈ পৰে  মানৱ জীৱনৰ ক্ষণস্থায়ীতাৰ কথা সেয়ে জীৱই পাহৰি যায় । কিন্ত মৃত্যুৰ লগে লগে পাৰ্থিৱ সুখৰ নমুনা স্বৰূপ সকলো বস্তুৱেই হৈ পৰে মূল্যহীন  মৃত্যুৰ লগে লগে আত্মাই  শৰীৰ ত্যাগ কৰি সংসাৰ বন্ধনৰ পৰা মুক্ত হৈ আল্লাৰ ওচৰলৈ গুচি যায় । আত্মা দেহত থকালৈকেহে আমি জীৱন্ত । আত্মাহীন শৰীৰ মূল্যহীন । সেয়ে ক্ষন্তেকীয়া মানৱ জীৱনত অহংকাৰ ত্যাগ কৰি আল্লাৰ নাম স্মৰণ কৰি আত্মাৰ মুক্তি কামনা কৰাই জীৱৰ প্ৰধান কৰ্তব্য ।

ভাব বিষয়ক :

সমাৰ্থক শব্দ লিখা :

চিন্তো , ঘাট , পীৰিত , আচমান , দৰিয়াস পিয়াহ , বাট , ভেল ।

উত্তৰ :

| | | |
|---|---|---|
| চিন্তো | — | ভাৱো । |
| ঘাট | — | নদীৰ পাৰ |
| পীৰিত | — | প্ৰীতি |
| আচমান | — | আকাশ , গগণ । |
| দৰিয়া | — | সাগৰ , নদী |
| পিয়াহ | — | তৃষ্ণা । |
| বাট | — | ৰাস্তা । |
| ভেল | — | মৃতদেহ । |